بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ   نَحْمَدُهٗ وَنُصَلِّيْ عَلٰى رَسُوْلِهِ الْكَرِيْمِ   وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২৯ মে মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আল্লাহ তায়ালাৰ প্ৰতিশ্ৰুতি অনুযায়ী হজৰত মছিহ মাওউদ (আঃ)ৰ তিৰোভাৱৰ (মৃত্যুৰ) পিছত খিলাফতৰ নিজাম প্ৰচলিত লৈছে। কিন্তু কেৱল নিজাম প্ৰচলিত থকাটোৰেই প্ৰচলিত নহয় যেতিয়ালৈকে খলিফা ওয়াক্ত আৰু জমাতৰ সদস্যৰ সকলৰ মাজত একাগ্ৰতা, বিশ্বাস, আনুগত্য আৰু ঘনিষ্ঠতাৰ এনাজৰি সুপ্ৰতিষ্ঠত নহয় আৰু এই সম্পৰ্ক কেৱল আল্লাহ তায়ালায়হে জন্ম দিব পাৰে। কোনো মানুহে বা মানবীয় চেষ্টা প্ৰচেষ্টায় এই সম্পৰ্ক প্ৰতিষ্ঠিত কৰিব নোৱাৰে বা জাৰি ৰাখিব নোৱাৰে। জমাতৰ ঐক্য আৰু একতাৰ উন্নতিৰ জামিনদাৰ হ'ল এই সুসম্পৰ্ক। এই সম্পৰ্ক আল্লাহ তায়ালাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ আৰু হজৰত মছিহ মাওউদ (আঃ)ৰ প্ৰতি আল্লাহৰ সহায় সহযোগ আৰু ছিলছিলা আহমদীয়াৰ সত্যতাৰ প্ৰমান। খিলাফতৰ সৈতে জমাতৰ সদস্য সকলৰ এয়া যি সম্পৰ্ক, য'ত পুৰণি আহমদী সকল আছে, ডেকাচাম আৰু সৰু ল'ৰা-বোৰ আছে, পুৰুষ-মহিলা সকলেও আছে, দুৰদুৰণীৰ আহমদী সকলেও আছে, যি সকলে কেতিয়াও খলিফা ওয়াক্তক দেখা নাই, সকলো বিলাকেই অন্তৰভূক্ত আছে আৰু আগবাঢ়িবলৈ চেষ্টা কৰি আছে। খলিফা ওয়াক্তৰ আহববান কাণ স্পৰ্শ কৰাৰ লগে লগে এওঁলোক তাৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰি থাকে। মৰম চেনেহ আৰু সম্পৰ্কৰ প্ৰকাশ এনেদৰে কৰে যে সেয়া বৰ আচৰিত লাগে। এয়াই হ'ল আল্লাহ তায়ালাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ কাৰ্যকৰী সাক্ষ্য আৰু জমাতৰ উন্নতি এই সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল। জমাতৰ সম্পৰ্ক খিলাফতৰ সৈতে আৰু খলিফা ওয়াক্তৰ সম্পৰ্ক জমাতৰ সৈতে, এয়া হ'ল আল্লাহ তায়ালাৰ সহায়-সহযোগৰ প্ৰমাণ আৰু এয়া কেৱল মুখবাগৰা কথা নহয় বৰং হেজাৰ হেজাৰ, লাখ লাখ এনেকুৱা ঘটনা আছে য'ত জমাতৰ সদস্য সকলে এই কথা স্বীকাৰ কৰি থাকে। যদি এইবোৰ ঘটনা লিপিবদ্ধ কৰা হয় তেন্তে অসংখ্য ডাঙৰ ডাঙৰ পুস্তকত পৰিণত হব।

বিৰুদ্ধবাদী সকলে কল্পনা কৰিছিল যে হজৰত মছিহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত এই ছিলছিলা শেষ হৈ যাব। কিন্তু খিলাফতৰ সৈতে জমাতৰ সদস্য সকলৰ ঘনিষ্ঠসতা আৰু একাগ্ৰতা আৰু বিশ্বাস, আনুগত্যৰ সম্পৰ্ক হজৰত মছিহ মাওউদ (আঃ)ৰ দিনৰে পৰাই ক্ৰমান্নয়ে বাঢ়ি গৈ আছে। হয়তো এয়া আঁহজৰত (ছাঃ)ৰ ভৱিষ্যত বাণী অনুযায়ী সংগঠিত হৈ আছে। ইয়াৰেই কিছুমান ঘটনা এতিয়া মই উল্লেখ কৰিম।

আলবদৰ কাকতৰ ইডিটৰ মহাশয়ে হজৰত খলিফাতুল মছিহ প্ৰথম বেমাৰ চলি থকা দিনবোৰৰ বিষয়ে লিখিছে যে - সেই দিনবোৰত জমাতৰ খুদ্দাম সকলৰ পৰা খলিফাতুল মছিহৰ বেমাৰ আৰোগ্য সম্পৰ্কে অসংখ্য চিঠি আহিছিল আৰু সেই চিঠি বিলাকৰ উত্তৰত হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ)য়ে কৈছিল - মই সেই সকলৰ বাবে দোৱা কৰোঁ, যি সকলে মোৰ বেমাৰ আৰোগ্যৰ বাবে চিঠি লিখিছে আৰু মোৰ বেমাৰৰ খবৰ লৈছে। ইডিটৰ মহাশয়ে লিখিছে যে - খলিফাতুল মছিহ আওৱাল (ৰাঃ)য়ে বৰ বেদনা সিক্ত ভাৱাক্ৰান্ত হৃদয়ে নিজৰ প্ৰেম ভালপোৱা প্ৰকাশ কৰিছিল। হেকিম মহম্মদ হোছেন চাহাবে লিখিছে যে - মই এবাৰ আল্লাহ তায়ালাৰ অৰ্থ্যাৎ জ্বনাবে ঘৰৰ দৰবাৰত প্ৰাৰ্থনা কৰিছিলো যে হে মওলা হজৰত নুহৰ জীৱনৰ সকলো সমস্যাৰ, হয়তো বিশেষ উদ্দেশ্য আছিল আৰু এতিয়া যি সমস্যায় দেখা দিছে, সেয়া তুমিয়েই ভালদৰে জ্ঞাত, তুমি তুমি আমাৰ দোৱা কবুল কৰা আৰু আমাৰ ইমামক নুহৰ দৰে দীৰ্ঘায়ু দান কৰা।

হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)ৰ সময়ত ১৯২৪ চনত যেতিয়া হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)য়ে ইউৰোপ ভ্ৰমনলৈ গৈছিল তেতিয়া সেই ক্ষন্তেকীয়া বিচ্ছেদেই জমাতৰ সদস্য বৃন্দক ব্যাকুল কৰি তুলিছিল। তাৰেই এটা ৰোৱায়েতৰ পৰা এই ব্যাকুলতাৰ উমান লব পাৰি। ষ্টেচন মাষ্টাৰ বাবু ছিৰাজ উদ্দিন চাহাবে লিখিছে যে - মোৰ প্ৰিয়তম প্ৰণাধীকাৰী মোৰ পৰা দূৰত আছে, মই অসহায় অথিৰ; যদি সম্ভৱ হ'লহেতেঁন তেন্তে মই হুজুৰৰ পদৰেণু হৈ গলোহেতেঁন আৰু এই বিচ্ছেদৰ

অনলত নহলোহেতেঁন। হে প্ৰণাধিকাৰী ! মই চাৰি বছৰ ধৰি দাৰুল আমানলৈ যোৱা তথাপি কিন্তু মনত শান্তি আছিল যে যেতিয়া ইচ্ছা তেতিয়া গৈয়ে হুজুৰৰ পদচুম্বন কৰি লৱ পাৰিম কিন্তু এতিয়া এটা দিনেই দূৰত থকা কষ্ট হৈ আছে। আল্লাহ পাক হুজুৰক ভালে ভালে সুস্থভাৱে বিজয়ৰ সৈতে অতি সোনকালে ওভতাই লৈ আনক।

তৃতীয় খলিফাৰ সময়ত আমেৰিকাৰ এজনী মহিলা ছিষ্টাৰ নিয়ামা লতিফ চাহিবায় খলিফা ওয়াক্ত আৰু খিলাফতৰ সৈতে ইমানেই প্ৰেম আছিল যে সেয়া ভালপোৱাৰ চৰম সীমা পাইছিলগৈ আৰু খলিফাৰ আনুগত্য কৰাটো সকলোৰে আগত প্ৰধান্য দিছিল। হজৰত খলিফাতুল মছিহ তৃতীয়ই আমেৰিকা ভ্ৰমন কৰাৰ সময়ত এখন বিশ্ববিদ্যালয়ত পৰ্দাৰ গুৰুত্ব সম্পৰ্কে দিয়া ভাষণ শুনি তেতিয়াৰে পৰাই এই মহিলাজনীয়ে হিযাব পৰিধান কৰিছিল। সেই সময়ত তাইৰ অঞ্চলত তেওঁৰেই একমাত্ৰ মহিলা আছিল যে এয়া খলিফা ওয়াক্তৰ আদেশ, ইয়াৰ সৈতে এটা সম্পৰ্ক আছে, সেই সম্পৰ্ক ৰক্ষা কৰিব লাগিব, আৰু মই বয়াত কৰিছো গতিকে এই আদেশ পালন কৰিব লাগিব।

বাগৰছৰগানাৰ এজন মুখলিচ আহমদী মকৰম মেহেৰ মুখতাৰ আহমদ চাহাবক ১৯৭৪ চনত বিৰুদ্ধবাদী সকলে প্ৰাণে মৰাৰ ভাবুকি আৰু তেওঁ এজন অনুৰাগী দায়ী ইলাল্লাহু হোৱাৰ কাৰণে তেওঁৰ আত্মীয় স্বজন আৰু ওচৰ চুবুৰীয়া প্ৰতিবেশী সকলে চৰম বিৰুধীতা কৰি তেওঁক সামাজিক বয়কট কৰিছিল। এনে অৱস্থাত পৰি তেওঁ বাগৰছৰগানাৰ সা-সম্পত্তি, মাটি আদি বিক্ৰি কৰি আহি ৰাৱওয়াত জমিন ঠিকা হিচাপে লৈ খেতি কৰিবলৈ লৈছিল। ইয়াৰ পিছত যেতিয়া হজৰত খলিফাতুল মছিহ ছালিছৰ সৈতে দেখা হৈছিল তেতিয়া এই সকলো বিৱৰী শুনাইছিল কিন্তু হুজুৰে এনে কৰাটো পছন্দ কৰা নাছিল বৰং কৈছিল যে সেই অঞ্চল খালি এৰি আহিব নালাগিছিল। এই আজ্ঞা তেওঁ তৎক্ষণাত পালন কৰিছিল। ঠিকাত লোৱা জমিনৰ টকা মালিকৰ পৰা ঘুৰাই বিচাৰিছিল কিন্তু মালিকে সেয়া ঘুৰাই দিবলৈ অস্বীকাৰ কৰাত তেওঁ শস্য আৰু ঠিকালৈ দিয়া টকা এৰি নিজৰ ঘৰ বাগৰছৰগানালৈ গুচি গৈছিল আৰু তেওঁৰ সেই বিক্ৰী কৰা জমিন বেছি দামে কিনি ঘুৰাই লৈছিল। ইয়াৰ পিছত আকৌ হজৰত খলিফাতুল মছিহ ছালিছৰ ওচৰত উপস্থিত হৈছিল আৰু কৈছিল যে মই আপোনাৰ আজ্ঞা পালন কৰিছো। হুজুৰৰ (ৰহঃ) তায়ালায় তেওঁৰ ওপৰত বৰ সন্তুষ্ট হৈছিল আৰু মেহেৰ চাহাবেও সেয়া দেখি বৰ আনন্দিত হৈছিল।

ইয়াৰ পিছত আহিল হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ)ৰ যুগ। তেখেতে কৈছে যে আফ্ৰিকা মহাদেশত যি পৰিবৰ্তন সাধিত হৈছে সেয়া পুৰণি ওয়াকফে জিন্দেগী সকলৰ কোৰবাণীৰ ফলশ্ৰুতিতহে সাধিত হৈছে আৰু ইয়াৰ অনুমান সেই ঠাইৰ জমাত বিলাকে কৰিব নোৱাৰে যে কিমান আচৰিত জনক দেশখনত এনে পৰিবৰ্তন সাধন হৈছে। কিছুমান ডাঙৰ ডাঙৰ ব্যক্তিত্ব সম্পন্ন আহমদী আৰু নিজৰ দেশৰ শাসন প্ৰণালীত প্ৰভাৱশালী ব্যক্তি, তেওঁলোকে মোক কয় যে আমি নিজেও জনা নাছিলো যে আমাৰ সম্প্ৰদায় আহমদীয়তৰ প্ৰেম আৰু সহায়-সহযোগীতাত ইমান আগবাঢ়ি গৈছে আৰু ইয়াৰ প্ৰচাৰ ও প্ৰসাৰৰ ভাৱে প্ৰস্তুত হৈ গৈছে। এনেদৰে আন এজন চাহাবে কৈছে যে মোৰ ধাৰণা নাছিল যে আমাৰ সম্প্ৰদায়ে কোনো জমাত আহমদীয়াৰ খলিফাৰ এনেদৰে খিদমত কৰাৰ তৌফিক লাভ কৰিব আৰু এনেদৰে ভাল পোৱা প্ৰকাশৰ সুবিধা পাব। এই বিষয়টো মোৰ ধাৰণা বহিৰ্ভুত। তেওঁ আৰু কয় যে যিবোৰ কাৰুকাৰ্য্য ইয়াত শাসন বিভাগৰ সৈতে চলি আছে, এনেকুৱা আচাৰ-আচৰণ বেলেগ কৰবাত মই দেখা নাই। যিয়েই নহওঁক এই বিষয়টোত আমাৰ জমাতৰ কোনো চেষ্টা-প্ৰচেষ্টাৰ হাত নাই, যি হৈ আছে অদৃশ্যৰ পৰাই হৈ আছে। মুঠতে এয়া সকলো আল্লাহ তায়ালাৰ ফালৰ পৰা সংগঠিত হৈ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এতিয়া মোৰ সময়ৰ ঘটনা এয়া যে ২০০৪ চনত মই নাইজেৰিয়া ভ্ৰমণলৈ গৈছিলো। সেয়া মাত্ৰ দুটা দিনৰ ভ্ৰমণ আছিল। প্ৰথমে এই ভ্ৰমণৰ কোনো পৰিকল্পনা নাছিল। হঠাতে বাধ্যবাদকতাৰ পৰিপ্ৰেক্ষিতে এই ভ্ৰমণ সুচী হাতত লোৱা হৈছিল আৰু ফ্লাইটও তাৰ পৰা পোৱা গৈছিল। কিন্তু তাত গৈ উপস্থিত হোৱাৰ পিছত উপলব্দি কৰিব পাৰিছিলো যে ইয়াত অহাটো প্ৰয়োজন আছিল, নাহিলে ভুল হৈ গলহেতেঁন। মোৰ এয়া ধাৰণা নাছিল যে মই তালৈ যোৱাৰ পিছত ইমান দুৰ-দুৰণীৰ পৰা লোক আহি মোৰ লগত মিলিব। কিন্তু মাত্ৰ দুঘণ্টাৰ বাবে তেওঁলোকে আহি মোক সাক্ষাৎ কৰিছিল। তাত প্ৰায় ৩০ হেজাৰ লোক জমা হৈছিল। তেওঁলোকৰ যি একাগ্ৰতা আৰু আনুগত্যৰ দৃশ্য আছিল, সেয়া বৰ দৰ দৰ্শনীয় আছিল। খিলাফতৰ সৈতে প্ৰগাঢ় সম্পৰ্ক আৰু যি ভালপোৱা সেয়াও প্ৰশংসাৰ যোগ্য। তেওঁলোকৰ মাজৰ যি সকলে খলিফা ওয়াক্তক আগতে দেখা নাছিল, আৰু প্ৰথমবাৰ যেতিয়া প্ৰত্যেক্ষ ভাৱে দেখিছিল তেতিয়া এনেকুৱা আচৰণ প্ৰকাশ কৰিছিল যে সেয়া বৰ আচৰিত হবলগীয়া দৃশ্য আছিল। তাৰ পৰা ওভতি অহাৰ সময়ত ঠাককদোৱাৰ মাজত কিছুমান মহিলা আৰু পুৰুষে ইমান ম্ৰিয়মান আৰু বেদনা সিক্ত হৈ পৰিছিল যে সেয়া বৰ আচৰিত হবলগীয়া দৃশ্য আছিল। আচলতে এনেকুৱা প্ৰেমৰ জন্ম কেৱল খোদা তালায়হে দিব পাৰে আৰু এয়া খোদা তালাৰ নিমিত্তেহে জন্ম লয়। মৌলবী সকলে কয় যে আমি আফ্ৰিকাৰ অমুক দেশৰ জমাতৰ মিচন বন্ধ কৰি দিছো আৰু অমুক দেশৰ সৈতে আমাৰ কথা হৈছে যে সেই ঠাইৰ মিচনও বন্ধ হৈ যাব। আমি এয়া কৰিছো সেয়া কৰিছো, বুলি দম্ভালি মাৰি ফুৰিছে। কিন্তু কোনোবায় সিহঁতক প্ৰশ্ন কৰক যে এয়া যি একাগ্ৰতা আৰু আনুগত্য সেই ঠাইৰ লোক সকলে প্ৰদৰ্শন কৰি আছে আৰু এয়া দৃশ্য যি এম-টি-এৰ মাধ্যমত প্ৰচাৰ হৈ আছে

আৰু আমি নিজেও তাত গৈ দেখি আছো, এইবোৰ কি ? কিয় এইবিলাক মিচন আদি বন্ধ কৰাৰ ফলত ঘটিছে নেকি ? যিয়েই নহওঁক সিহঁতে দম্ভালি মাৰি ফুৰিছে যদি ফুৰি থাকক কিন্তু এইবিলাক দৃশ্যই আমাৰ ঈমান আৰু সুদৃঢ় কৰি আছে আৰু ঈমান বৃদ্ধিৰ কাৰক হৈ আছে। হয়তো এয়াই আমেৰিকাই হওঁক বা কানাডাই হওঁক বা ইউৰোপৰ যিকোনো দেশেই হওঁক, প্ৰত্যেক ঠাইতেই একাগ্ৰতা আৰু আনুগত্যৰ দৃশ্য প্ৰদৰ্শিত হৈ আছে আৰু এই আনুগত্য, বিশ্বাস মানবীয় প্ৰচেষ্টায় জন্ম দিব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এয়া কেতবোৰ উদাহৰণ যিয়ে এই কথাটো স্পষ্ট কৰি দিয়ে যে হৃদয়ত আনুগত্য, বিশ্বাসৰ সম্পৰ্ক খোদা তায়ালায়হে জন্ম দিয়ে আৰু জাগতিক কোনো শক্তিয়েই এয়া ৰোধ কৰিব নোৱাৰে। হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে - আল্লাহ তায়ালাৰ প্ৰতিশ্ৰুতি তোমালোকে পূৰ্ণ হওঁতে দেখিবা। আল্লাহ আমাৰ সকলোকে তাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ মুহুৰ্ত দেখাৰ তৌফিক দান কৰক ।জুৰ

অৱশেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে ২০২০ চনৰ ২৭ মেৰ পৰা নতুন কাৰ্য্যসুচীৰে এম-টি-এৰ বিভিন্ন প্ৰোগাম বিভিন্ন কাৰণ বশতঃ আঠখন চেনেলত ভাগ কৰি দিয়াৰ ঘোষণা কৰিছে আৰু ইয়াৰ বিতং ব্যখ্যা আগবঢ়াছে। আল্লাহ তায়ালা এই নিজামত বৰকত দান কৰক আৰু এম-টি-এক আগতকৈ বেছি ইছলামৰ প্ৰকৃত পয়গাম জগতক পৌছাই দিয়াৰ তৌফিক দান কৰক। (আমিন)

“আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওযা নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ”।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 29 MAY . 2020**
**(BOOK POST PARINTED MATTER)**

**To**

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**